
# অসম আদিত্য

১৬ মাঘ, ১৯৪৫ শক ■ বুধবাৰ, ৩১ জানুৱাৰী, ২০২৪ ■ Asom Aditya, Dibrugarh, Wednesday, January 31, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি



সম্পাদক পদত পৰাগজ্যোতি মহন্ত

## অসম কলেজ শিক্ষক সংস্থাৰ নতুন সভাপতি ড° জয়ন্ত বৰুৱা

স্টাফ ৰিপ'ৰ্টাৰ, ৩০ জানুৱাৰী ঃ আবেগিক মুহূৰ্তৰে সামৰণি পৰিল মহাৰজত জয়ন্তী বৰ্ষ গৰকা অসম কলেজ শিক্ষক সংস্থাৰ ৬৮ সংখ্যক বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন। অসম কলেজ শিক্ষক সংস্থা ডিব্ৰুগড় মণ্ডলৰ ২ পৃষ্ঠাত

## আসনত বহুৱাবলৈ তৎপৰ সু



ৰাঁচী, পাটনা, ৩০ জানুৱাৰী ঃ লোকসভা নিৰ্বাচনৰ প্ৰাক্‌ক্ষণ
দুই প্ৰভাৱশালী নেতাৰ বিৰুদ্ধে তৎপৰ ইডি। এফালে বি
যাদৱৰ পৰিয়াল, আনফালে, ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত সু
নেৰা হৈছে দুয়োগৰাকী নেতাক। কালি দুয়ো নেতাৰ বিৰুদ্ধে

## কাজিৰঙা, শিলচৰ, লখিমপুৰক লৈ

## চত্তীশগড়ত নক্সালবাদীৰ

## ৰ'জলীনা, নৈঋ

# অসম আদিত্য

১৬ মাঘ, ১৯৪৫ শক ■ বুধবাৰ, ৩১ জানুৱাৰী, ২০২৪ ■ Asom Aditya, Dibrugarh, Wednesday, January 31, 2024

## অসম কলেজ শিক্ষক সংস্থাৰ নতুন সভাপতি

উদ্যোগত আৰু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় শিক্ষক গোটৰ আতিথ্যত ডি এইচ এছ কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা চাৰিদিনীয়া এই বৰ্ণিল কাৰ্যসূচীত অসমৰ শদিয়াৰ পৰা ধুবুৰী সামৰি বিভিন্ন মাহবিদ্যালয়ৰ পৰা অহা অধ্যাপক-অধ্যাপিকাসকল চাৰিদিন একত্ৰিত হৈ এটা পৰিয়ালৰ দৰে থাকি আজি এই বিদায় পৰত সকলোৰে চকু সেমেকি পৰা পৰিলক্ষিত হ'ল। অনুষ্ঠান শেষ হোৱাৰ পিছতো অধ্যাপক-অধ্যাপিকাসকলে মহাবিদ্যালয় চৌহদৰ বিভিন্ন স্থানত বৈ বিভিন্ন আলোচনা কৰি থকা দেখা পোৱা গ'ল। যেন মহাবিদ্যালয়খনক এৰি যাব বিচৰা নাই কোনেও। এক আবেগিক মুহূৰ্তৰ মাজেৰে অনুষ্ঠিত হোৱা অধিৱেশনৰ আজি অন্তিম দিনৰ কাৰ্যসূচী মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি ড° সৌমাৰজ্যোতি মহন্তই কয়— একৈশ শতিকাৰ পিছৰে পৰা শিক্ষা ব্যৱস্থাত আমোল পৰিৱৰ্তন হৈছে। বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা গ্ৰহণৰ প্ৰতি আগ্ৰহ কমা পৰিলক্ষিত হৈছে। তাৰ উপায়স্বৰূপে তেওঁ উদ্যমিতা, ঔদ্যোগিক চিন্তাক আগবঢ়াই দি ছাত্ৰ-ছাত্ৰীসকলক পুনৰ শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তোলাত গুৰুত্ব প্ৰদান কৰিব লাগিব বুলি মত প্ৰকাশ কৰি কয়— শিক্ষকসকলে আত্মবিশ্লেষণৰ মাধ্যমৰে সমাজৰ প্ৰতি থকা দায়িত্ব নতশিৰে স্বীকাৰ কৰি সমাজখনক আগুৱাই নিব লাগিব। অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক ড° জয়ন্ত বৰুৱাই আঁত ধৰা মুকলি সভাত আদৰণী ভাষণ প্ৰদান কৰে ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অসম কলেজ শিক্ষক সংস্থাৰ ৬৮ সংখ্যক বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণত অধ্যক্ষ ড° শইকীয়াই কয়— অসমৰে নহয়, সমগ্ৰ দেশৰ এটা শক্তিশালী বৌদ্ধিক সংগঠন অসম কলেজ শিক্ষক সংস্থাৰ শক্তি আৰু কৰ্মৰ ইতিহাস আছে। সেই ইতিহাস এক বৰ্ণিল ইতিহাস আৰু ইয়াক পাহৰি যোৱাতো কোনোপধ্যে উচিত নহয়। তেওঁ অসম কলেজ শিক্ষক সংস্থাৰ বৰ্ণিল ইতিহাসক সকলোৰে মিলি শক্তিশালী কৰি ৰখাৰ প্ৰতি আহ্বান জনায়। অসম কলেজ শিক্ষক সংস্থা গোলাঘাট মণ্ডলৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ড° দেৱজিৎ দত্তই সভাপতিত্ব কৰা সভাখনত অসম পৰ্যটন উন্নয়ন নিগমৰ সন্মানীয় অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই কয়— জীৱনবোৰক জীৱনৰূপে সজাই তুলিবলৈ প্ৰেৰণা দিয়ে আৰু সমাজৰ দিশ নিৰ্ণয় কৰে শিক্ষাগুৰুসকলে। অনুষ্ঠানটোত উপস্থিত থাকি অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি নৰেন চাংমাই, অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনৰ্বাহক সদস্য সদানন্দ দত্ত, অসম কলেজ শিক্ষক সংস্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য দিগন্ত হাতীবৰুৱাই মননশীল বক্তৃতা প্ৰদান কৰে। ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলে পৰিৱেশন কৰা মহাবিদ্যালয় সংগীতেৰে শুভাৰম্ভ হোৱা মুকলি সভাখনত সভাপতিৰ অভিভাষণ পাঠ কৰে অসম কলেজ শিক্ষক সংস্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ড° ৰুমী খালেনে। উল্লেখ্য যে আজিৰ এই মুকলি সভাতে নগাঁও-মৰিগাঁও মণ্ডলৰ সদস্য ত্ৰিদীপ কুমাৰ গোস্বামীৰ 'Beyond the Rainbow' শীৰ্ষক কবিতা পুথিখন উন্মোচন কৰে। শেষত শলাগ জ্ঞাপন কৰে অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি ড° সৌমাৰজ্যোতি মহন্তই। শেষত শলাগ জ্ঞাপন কৰে অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক ড° জয়ন্ত বৰুৱাই। উল্লেখ্য যে আজি ২০২৪ বৰ্ষৰ বাবে অনুষ্ঠিত অসম কলেজ শিক্ষক সংস্থাৰ নিৰ্বাচনত সভাপতি পদত ড° জয়ন্ত বৰুৱা জয়ী হোৱাৰ বিপৰীতে সম্পাদক পদত পৰাগজ্যোতি মহন্ত বিজয়ী হয়। আনহাতে, উপ-সভাপতি পদত বিপুল চক্ৰৱৰ্তী, উপ-সভাপতি মহিলাৰ বাবে সংৰক্ষিত পদত ড° ৰবীতা দাস জয়ী হয়। বিত্ত সম্পাদকৰ পদত প্ৰাঞ্জল গগৈ, সাংগঠনিক সম্পাদক পদত ড° হজৰত আলী, শৈক্ষিক সম্পাদক পদত ড° বিজু মৰাণ আৰু মহিলা কোষৰ সম্পাদক পদত বন্দিতা বৰবৰা বিজয়ী হয়।

## নতুন শিক্ষানীতি ৰূপায়ণ

যে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ ৰূপায়ণ কৰা দেশৰ ৫ ৰাজ্যৰ অন্যতম অসম। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি প্ৰযোজ্য কৰাৰ ক্ষেত্ৰত অসম বহুদূৰ আগুৱাই গৈছে বুলি উল্লেখ কৰি নতুন শিক্ষানীতি বলৱৎ কৰাৰ বাবে চৰকাৰে তড়িৎ গতিৰে কাম-কাজ আগবঢ়াই নিয়াৰ সমান্তৰালকৈ ৰাজ্য চৰকাৰৰ কেবিনেটে ইতিমধ্যে ছেবা আৰু উচ্চতৰ মাধ্যমিক শিক্ষা সংসদক একত্ৰীকৰণৰ সিদ্ধান্ত লোৱাৰ কথা ডাঃ পেগুৱে উল্লেখ কৰে। ছেবাৰ অধীনত ১৬ ফেব্ৰুৱাৰীৰ পৰা অন্তিমবাৰলৈ যে মেট্ৰিক পৰীক্ষা অনুষ্ঠিত হ'ব সি ধ্ৰুৱপ। আগবেলা ৯ বজাত অনুষ্ঠিত হ'বলগীয়া পৰীক্ষাৰ বাবে পূৰ্বৰ ৮.৩০ বজাৰ পৰিৱৰ্তে ৮.২০ বজাতে প্ৰৱেশ কৰিব লাগিব পৰীক্ষা কেন্দ্ৰত। পৰীক্ষা অনুষ্ঠিত হোৱাৰ ৫ মিনিট পূৰ্বে বিতৰণ কৰা হ'ব প্ৰশ্নকাকত। পৰীক্ষা কেন্দ্ৰসমূহত পূৰ্বৰ দৰেই থাকিব তীক্ষ্ণ নীৰিক্ষণ। প্ৰতিটো কেন্দ্ৰতে চি চি কেমেৰা সংস্থাপনৰ লগতে ১০০ মিটাৰ ব্যাসাৰ্ধত বলৱৎ থাকিব ১৪৪ ধাৰা।— শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ মন্তব্য। অনাগত দিনত প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে ৰাজ্যৰ উঠি অহা প্ৰজন্মক সাজু কৰি তোলাৰ বাবেই এই পদক্ষেপ বুলি মন্তব্য কৰে। আনহাতে, বিজ্ঞান, ইংৰাজী, সমাজবিদ্যা আৰু অংকত অ'এমআৰ শ্বীট ব্যৱহাৰ কৰা হ'ব বুলিও ডাঃ পেগুৱে সদৰী কৰে। OMR শ্বীটৰ প্ৰতিটো প্ৰশ্নৰ বিপৰীতে থাকিব ৪ নম্বৰকৈ। অন্য বহীত লিখিব লাগিব আন ৪৫ নম্বৰৰ দীঘলীয়া প্ৰশ্নৰ উত্তৰ অৰ্থাৎ পৰীক্ষাৰ্থীসকলে লাভ কৰিব দুখন কৈ প্ৰশ্ন কাকত OMR শ্বীটৰ ব্যৱহাৰৰ বাবে ছেবাই নিৰ্ধাৰণ কৰা নিয়ম অনুসৰি OMR শ্বীটৰ বৃত্তসমুহ ৰং কৰিবলৈ পৰীক্ষাৰ্থীয়ে ব্যৱহাৰ কৰিব লাগিব ক'লা অথবা

## অসম আৰক্ষীৰ ৫০ বিষ

উপ-আৰক্ষী মহাপৰিদৰ্শক (প্ৰশাসক), আই পি এছ পাৰ্থ সাৰথি মহন্ত, অসম আৰক্ষী ৰেডিঅ' অৰ্গেনাইজেশ্যনৰ

ডিব্ৰুগড়ত

ব্ৰিটি

গৈছিল ভা

ষ্টাফ ৰিপৰ্টাৰ, ৩০ জানুৱাৰী

তথ্য দি ভাৰতৰ ইতিহাস লিখি

লিখি থৈ যোৱা ভাৰতৰ ইতিহাস

মাধ্যমেৰে মৌলিক তথ্যৰ ত

নিষি

